بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ২৮ জুলাইত হাদিকাতুল মাহ্দী, লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

বাৎসৰিক জলছাত যোগদান কৰাৰ মুখ্য উদ্দেশ্য হ'ল তাকওয়াৰ বাটত উন্নতি লাভ কৰা, খোদা তায়লাৰ সৈতে নিজৰ সম্পৰ্ক বঢ়াই তোলা, এজনে আনজনৰ সৈতে থকা হ'ক আদায় কৰা আৰু এজনে আনজনৰ বাবে নিজৰ-নিজৰ কোৰবানীৰ মান আৰু আগ্ৰহত অগ্ৰাধিকাৰ লাভ কৰা। একান্ত মনযোগেৰে জলছাৰ প্ৰোগ্ৰামত যোগদান কৰিব। জলছাৰ ভাষণ সমূহ এই নিয়তৰ সৈতে শুনিব যে আমি সেইবোৰৰ ওপৰত যিমানদুৰ সম্ভৱ আমল কৰিবলৈ চেষ্টা কৰিব লাগিব।

তাশ্বাহুদ, তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আল্লাহ তায়লাৰ কৃপাত আজি বৃটেইনৰ বাৎসৰিক জলছা আৰম্ভ হবলৈ লৈছে। এই দিন কেইটাত দোৱাৰ ওপৰত বেছিকৈ জোৰ দিব লাগিব। সামৰ্থ অনুযায়ী ছদকা দান কৰক যাতে আল্লাহ এই জলছা সকলো ফালেৰে কৃতকাৰ্য্যতা দান কৰে। লগতে পৃথিৱীৰ সকলো আহমদী, মুঠতে যি সকলে এম.টি.এ ৰ মাধ্যমত এই জলছাৰ কাৰ্যৱলী শুনি আছে তেওঁলোকৰ বাবেও এই জলছা বৰকতময় কৰক আৰু শত্ৰুৰ সকলো ধৰণৰ ষড়যন্ত্ৰ আৰু বিপদৰ পৰা ৰক্ষা পাবলৈ দোৱা জাৰি ৰাখক। যোৱা জুমাৰ খোতবাত মই অতিথি আলপৈচান কাৰী কৰ্মীবৃন্দক অতিথি সেৱা সম্পৰ্কে মনত পেলাই দিছিলো। আজিও মই চমুকৈ অতিথি সকলৰ মনযোগ আকৰ্ষণ কৰিব বিচাৰিছো যে অতিথি সকলৰ বাবেও কিছুমান ফৰজ আৰু দায়িত্ব আছে, সেই বিলাক তেওঁলোকে পালন কৰিব লাগিব। ইছলাম ধৰ্মই অতিথি সকলক বহুতো অধিকাৰ প্ৰদান কৰিছে কিন্তু ইছলাম এনেকুৱা এটা ন্যায় আৰু সমতাৰ শিক্ষা প্ৰদান কৰা ধৰ্ম যে কেৱল এফলীয়া বাবে দায়িত্ব জাপি দিয়া নাই বৰং দুয়ো পক্ষক নিজৰ নিজৰ দায়িত্ব পালনৰ নিৰ্দেশ দিছে। কাৰণ তেতিয়াহে সমাজত প্ৰেম ভালপোৱাৰ মাজেৰে ভ্ৰাতৃত্ববোধ প্ৰতিষ্ঠিত হ'ব। হজৰত মছিহ মাওউদ (আঃ) য়ে এবাৰ বৰ বেজাৰ পাই বাৎসৰিক জলছা অনুষ্ঠিত কৰা নাছিল, ইয়াৰ কাৰণ আছিল জলছাত যোগদান কৰা অতিথি সকলৰ বেয়া আচৰণ অৰ্থাৎ অতিথি সকলৰ পালনীয় কৰ্ত্তব্য আওকান কৰি নিজৰ নিজৰ হ'ক আদায় কৰা নাছিল বৰং মই মতালিৰে নিজৰ আত্মগৌৰৱৰ প্ৰকাশ কৰিছিল। বেলেগৰ আৰাম নেওচি নিজৰ আৰামক প্ৰাধান্য দিছিল। জলছাত অংশগ্ৰহন কৰি এনে আচাৰ-আচৰণ দেখুৱাইছিল যেনিবা জাগতিক মেলা আদিত যোগদান কৰিছে। দৰাচলতে জলছাত যোগদান কৰাৰ উদ্দেশ্য হ'ল; তাকওয়াৰ বাটত উন্নতি লাভ কৰা খোদা তায়লাৰ সৈতে নিজৰ সম্পৰ্ক বঢ়াই তোলা, পৰস্পৰে নিজৰ-নিজৰ হ'ক আদায় কৰা আৰু এজনে আনজনৰ বাবে কৰা কোৰবানীৰ মানদণ্ড উন্নত কৰা। কিন্তু যেতিয়া তেখেত (আঃ) য়ে দেখিবলৈ পাইছিল যে লোক সকলে উক্ত মানদণ্ডৰ ফালে একো মনযোগ দিয়া নাই, তেখেত (আঃ) য়ে এয়া দেখিবলৈ পাই মনত বৰ বেজাৰ পাইছিল আৰু প্ৰকাশ কৰিছিল যে জলছাৰ অতিথি যেতিয়া জলছাত যোগদান কৰিবলৈ আছে তেতিথা তেওঁ কেৱল অতিথি হিচাপে ভাল ব্যাৱহাৰ আৰু আৰাম সা-সুবিধা পোৱাৰ আশা কৰিব নালাগে বৰং নিজৰ ফালৰ পৰা আত্ম উচ্ছৰ্গাৰ উচ্চ মান অৰ্জন কৰা

উচিত। সদায় জলছা অনুষ্ঠিত কৰাৰ উদ্দেশ্যবোৰ দৃষ্টিপটত ৰখা উচিত। যেনেকৈ মই কৈছো যে আল্লাহ তায়লাৰ সৈতে সম্পর্ক আৰু আধ্যাত্মিকতাত উন্নতি, পৰস্পৰে পস্পৰৰ হ'ক আদায় কৰা আদি। অ-আহমদী অতিথি সকলৰ প্রতি আমি বেছিকৈ যত্ন লব লাগিব। তেওঁলোকৰ আলপৈচান ধৰা আৰু কিছুমান জাতিৰ নেতৃবৃন্ধ যি সকলে আমাৰ অতিথি হিচাপে আহিছে, তেওঁলোকৰ প্রতি বিশেষ ভাৱে আলপৈচানৰ ব্যাৱস্থা কৰা উচিত। আঁহজৰত (ছাঃ) য়ে কৈছে যে; জাতিৰ নেতা সকলে তোমালোকৰ ওচৰত আহিলে তেওঁলোকক সন্মান আৰু মর্যদাৰে আদৰ সমভাষণ কৰিবা।

এনেদৰে হ'ক সন্ধানী যিকোনো লোকেই হওঁক, তেওঁলোকৰ আলপৈচান ধৰাটো আমাৰ কর্ত্তব্য, এয়াই হজৰত মছিহ মাওউদ (আঃ) য়ে আমাক শিকাইছে। সেয়া তেখেত (আঃ) য়ে লঙ্গৰ খানাৰ কর্মী সকলক নির্দেশ দিছিল যে তোমালোকৰ জনা-নজনা, সৰু, ডাঙৰ, ধনী, দুখীয়া সকলো অতিথিক আলপৈচান ধৰিব লাগিব। কিন্তু যেতিয়া এজন আহমদীয়ে জলছাত যোগদান কৰিবলৈ আহে তেওঁ নিজকে অতিথি আৰু সেৱক দুয়োটাই ভাৱিব লাগিব। তেতিয়াহে কোৰবানীৰ মান উন্নত হ'ব। জলছাৰ পৰিবেশ শান্তি পূর্ণ আৰু মৰম চেনেহৰ হৈ উঠিব। অতিথি সকলে সদায় সেৱক সকলৰ বাবে সমস্যা সৃষ্টি কৰিব নালাগে বৰং সহজ-সৰল হ'ব লাগে। জলছাৰ দিন কেইটাত অস্থায়ী ভাৱে সকলো ব্যাৱস্থা কৰা হয় গতিকে ইয়াত থকা দিন কেইটাত সেই আৰাম আৰু সা-সুবিধা দিব পৰা নাযায় যি স্থায়ী ব্যাৱস্থাপনাত উপলব্দ হয়। অতিথি সকলৰ কর্ত্তব্য হ'ল সেৱককর্মী সকলৰ সৈতে প্রয়োজন সাপেক্ষে প্রেম ভালপোৱাৰ সৈতে প্রয়োজনৰ ভাগিদা দিব লাগে। যদি সেই ক্ষেত্রত কর্মী সকলে বাধ্যবাদকতাৰ বাবে অপৰাগতা দেখুৱায় অথবা ক্ষমা খোজে তেন্তে অতিথি সকলে সেই ক্ষমা আনন্দমনেৰে গ্রহণ কৰি লোৱা উচিত।

জলছাত উপস্থিত হোৱা প্রত্যেক জন আহমদীয়ে নিজকে কেৱল অতিথি বুলি ধৰি নলব, যেনেকৈ উল্লেখ কৰিছো যে এই নিয়ত বান্দি জলছাত যোগদান কৰক যে আপোনাৰ জলছাত যোগদান কৰাৰ উদ্দেশ্য হ'ল হজৰত মছিহ মাওউদ (আঃ) ৰ দোৱাৰ অংশীদাৰ হোৱা আৰু জলছাৰ কল্যাণ লাভ কৰা আৰু নিজৰ আধ্যাত্মিকতাত উন্নতি লাভ কৰা। সৰু-সৰু জাগতিক সা-সুবিধাৰ পিছলৈ সময় নষ্ট কৰিব নালাগে, পৰিবেশ, পৰিস্থিতি বেয়া কৰিব নালাগে। কিন্তু মই আকৌ কর্মী বৃন্দক জনাওঁ যে যিকোনো পৰিস্থিতিত, অতিথিৰ আচাৰ ব্যাৱহাৰ যেনেকুৱাই নহওঁক কিয়, আপোনালোকে উত্তম চৰিত্র আৰু ধৈর্য্য, সাহস উৎসাহ প্রদান কৰিব লাগিব। অতিথি সকলৰ খোৱা লোৱাৰ বাবে যি যোগান ধৰা হয় সেয়া হাঁহি মুখৰ হৈ এই তিনিটা দিন খোৱা উচিত। এয়া কিমান ডাঙৰ সদিচ্ছা যে কিছুমান লোকে দায়িত্বৰ পৰা ছুটি লৈ আহি বিভিন্ন বিভাগত কাম কৰি আছে কাৰণ তেওঁলোকে ভাৱে যে হজৰত মছিহ মাওউদ (আঃ) ৰ অতিথি সকলৰ খিদমত কৰা বৰকত পূর্ণ কাম। কিছুমানে ৰন্ধা-বঢ়া কৰি আছে গতিকে কেতিয়াবা সোৱাদ যুক্ত আহাৰ নহলেও আপত্তি কৰা ঠিক নহয়। আনহাতে খাদ্য বিতৰণকাৰী কর্মী সকলে মনত ৰাখিব যে যেতিয়া কোনো এজনক খাবলৈ যাঁচে সন্মানৰ সৈতে যাঁচিব যদি কোনোবাই দহ বাৰ মানও আঞ্জা বিচাৰে তথাপি তাৰ ইচ্ছা অনুসৰি দি থাকিব। মাজে সময়ে খাদ্য খোৱাৰ সময়ত সৰু-সৰু কথাত তর্ক বিতর্ক লাগি যায় সেয়া এৰাই চলাব চেষ্টা কৰিব লাগে।

ছেকিউৰিটিৰ সমস্যা প্রত্যেক বছৰেই বাঢ়ি গৈ আছে গতিকে ছেকিউৰিটি চেকিংত সহায় সহযোগ কৰিব।

য'ত নিজৰ পৰিচয় পত্ৰ দেখুৱাৰ প্ৰয়োজন আছে, সেয়া দেখুৱাব। যিমানবাৰ চাব বিচাৰে দেখুৱাই যাব। নিজৰ পৰা পত্ৰ, বিশেষ পৰিচয় পত্ৰ বেলেগক নিদিব। এই ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰিব। তালাচী লোৱা সকলেও যদি কোনো এজনক দুটা কাৰ্ড ইছু কৰা থাকে তেন্তে দুয়োটাই চেক কৰিব কিন্তু লক্ষ্য ৰাখিব যাতে দুয়োটাৰ নাম যেন একে হয়।

এনেদৰে এই বছৰ ছেকিউৰিটি সকলে মানুহে লগত লৈ অহা পানীৰ বটল চেক কৰি দিব। অতিথি সকলেও এই বিষয়ে সহযোগ কৰিব কাৰণ চৰকাৰৰ ফালৰ পৰা আমাক এই বিষয়ে মনযোগ দিবলৈ কোৱা হৈছে আৰু এয়া হ'ল নিৰাপত্তা বিভাগীয় কাম গতিকে সকলোৱে সহযোগ কৰিব লাগিব। চেকিং ছেকিউৰিটি সকলে জনা, নজনা, কৰ্মী সাধাৰণ পদবীধাৰী আদি সকলোকে ব্যাক কৰি দিব। এই বিষয়ে কোনোবাই বেয়া পোৱা উচিত নহয়। আকৌ চেক কৰোঁতা সকলেও লাজ পোৱা উচিত নহয়।

আনহাতে প্ৰত্যেকেই নিজৰ চাৰিওফালৰ পৰিবেশৰ ওপৰত চোকা দৃষ্টি ৰাখিব লাগিব। আটাইতকৈ প্ৰয়োজন হ'ল সকলোৱে এই দিন কেইটাত দোৱাৰ ওপৰত বেছিকৈ মনযোগ দিব যাতে আল্লাহ তায়লা এই জলছা সকলো দিশতেই কৃতকাৰ্য কৰে। ইফালে সিফালে ঘুৰি-নুফুৰিব জলছাৰ প্ৰোগ্ৰামবোৰ শুনিব। ব্যৱস্থাপনা বিভাগক আৰু এটা কথা কব বিচাৰো যে অতিথি লোক সকলৰ বাবে বেছিকৈ সা-সুবিধা প্ৰদানৰ চেষ্টা কৰিব। মাজে সময়ে কিছুমান লোকে ঘৰৰ পৰা সোনকালে ওলাই পৰোতে খোৱা বোৱা কৰি নাহে অথবা পুৱাতে খোৱাৰ অভ্যাস নথকাত এনেয়ে আহি যায়, ইয়াতে আহি খোৱা-বোৱাত পলম হলে ভোকৰ তাৰনাত মন-মানসিকতা বেয়া হবলৈ ধৰে। বহুত বেমাৰী লোক আছে বেছি সময় ভোকে থাকিব নোৱাৰে। যদি এনেকুৱা কোনো লোক আহে তেন্তে তাৰ বাবে কোনো নহয় কোনো খাদ্য বস্তু যোগান ধৰিব লাগিব। মাৰ্কিত সদায় ডিউটিৰ লোক উপস্থিত থকা উচিত। যদি অতিথি সকলে এনেকুৱা অৱস্থাত পৰি যায় তেন্তে সোনকালে খাদ্য গ্ৰহন কৰি, ওভতি আহি জলছাৰ প্ৰোগ্ৰাম শুনিব।

এনেদৰে পৰিচালক মণ্ডলীয়ে এয়া মনত ৰাখিব যে দোকান ষ্টল আদি বন্ধ তাত কোনো মানুহ যেন নেথাকে। সকলোৱে জলছা শুনিব গতিকে তাত ছেকিউৰিটিৰ বন্ধৱস্ত হ'ব লাগিব। এয়া হ'ল বজাৰ বিভাগৰ দায়িত্ব তেওঁলোকে ছেকিউৰিটিৰ ব্যাৱস্থা কৰিব লাগিব। কিন্তু যদি কোনোবাই ইয়াৰ ওপৰত ভৰষা কৰিব নোৱাৰে তেন্তে সকলো মুল্যবান বস্তু এঠাইত গোটাই লৈ বজাৰৰ এফালে জলছা শুনিবলৈ টি.ভি. ৰ ব্যাৱস্থা কৰি লৱ।

মই আৰু এটা কথা কব বিচাৰো যে প্ৰত্যেক বছৰৰ দৰে এইবাৰও জমাতৰ ফালৰ পৰা প্ৰদৰ্শনী ষ্টল লগোৱা হৈছে। যাৰ মাজত ৰিবিউ অফ ৰিলিজিয়নচও থাকিব আৰু কফনে মছিহৰ যোগান ধৰা হ'ব। এই বিষয়ে বুৎপত্তি থকা অমুছলিম লোক আহি আছে, যি সকলে নিজৰ ভাষণ প্ৰদান কৰিব, প্ৰশ্ন উত্তৰ আদি হ'ব। গতিকে তাৰ পৰা আগ্ৰহ সকলে লাভ উঠাই লৱ।

এনেদৰে আলকালাম প্ৰজেক্ট এই বাৰ ৰিবিউ অফ ৰিলিজিয়নচৰ জৰিয়তে চলিব আৰু কোৰ'আন কৰিমৰ আয়াত হাতেৰে লিখাৰ সুবিধা দিয়া হ'ব। এই প্ৰোগ্ৰামত লোকে বৰ আগ্ৰহেৰে অংশ গ্ৰহন কৰে। এনেদৰে আৰু কাৰোবাৰ জৰিয়তে কিছুমান ঐতিহাসিক বুজুৰ্গান সকলৰ বস্তু প্ৰদৰ্শন কৰা হ'ব, এয়াও চাব লগীয়া বস্তু। বিভিন্ন ছবি সমুহৰ প্ৰদৰ্শনী হ'ব। কিন্তু মনত ৰাখিব যে জলছা চলাকালীন অৱস্থাত এইবোৰ বন্ধ থাকিব। জলছাৰ

কাৰ্য্যসূচীবোৰ মনযোগেৰে শুনিব। ভাষণ সমুহ শুনিব আৰু তাৰ পৰা লাভ আহৰণ কৰিব লাগিব। আল্লাহ তায়লাৰ কৃপাত উলামা সকলে কঠোৰ পৰিশ্ৰম কৰি নিজৰ ভাষণ সমুহ যুগুতাইছে তাৰ পৰা লাভ আহৰণ কৰক। কেৱল এয়া যেন নহয় যে নিজৰ পছন্দৰ বিষয় সমুহৰ ভাষণ শুনিব বাকী বিলাক নুশুনিব। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; ভাষণ সকলোৰে মনযোগেৰে শুনিব, মই মোৰ জমাত আৰু নিজৰ বাবে এয়া বিচাৰো আৰু পছন্দ কৰো যে ভাষণত যি আলোচনা কৰা, বৰ্ণনা কৰা হয়, সেয়াই যেন কেৱল পছন্দ কৰা নহয় যে ভাষণ দিওঁতাৰ কথাত বৰ মধুৰতা আছে, বৰ সুন্দৰ শব্দ ব্যাৱহাৰ কৰিছে। উল্লেখ কৰে যে; মই পছন্দ কৰো যে; মিঠা-মিঠা কথাৰ শাৰী আৰু তাৰ বাবে পৰিশ্ৰম কৰি সজোৰা যেন নহয় বৰং মোৰ মন-মানসিকতাৰ সকলো ইচ্ছা হ'ল; যি কাম কৰা হয় সকলো যেন আল্লাহৰ বাবে কৰা হয়। আকৌ তেখেত (আঃ) য়ে উল্লেখ কৰে যে আমি যি কওঁ খোদা তায়লাৰ বাবে যেন কওঁ তাৰ সন্তোষ্টি অৰ্জনাৰ্থে যেন কওঁ। শ্ৰৱণকাৰীয়ে যেন সেইবিলাক খোদা তায়লাৰ কথা বুলি ভাৰি শুনে। লগতে তাৰ ওপৰত যেন আমল কৰে। আকৌ তেখেত (আঃ) য়ে কয় যে; মুছলমান সকলৰ পতনৰ মূল কাৰণ এয়া যে তেওঁলোকে কথাবোৰ এনে নিয়তৰ সৈতে নুশুনে। সেয়ে ইমান ডাঙৰ-ডাঙৰ সভা, মজলিচ অনুষ্ঠিত হয়, ভাষণ দিয়া হয়, জাতিৰ উত্থান-পতন সম্পৰ্কে আলোচনা হয় কিন্তু তাৰ একো প্ৰভাৱ নপৰে। জাতিয়ে দিনক-দিনে উন্নতিৰ সলনি পতনৰ ফালে আগুৱাই যায়। মুঠতে এই মজলিচ সমুহত যোগদান কৰোঁতা সকলে কোনো ধৰণৰ পৱিত্ৰ মনযোগ অৰ্জন কৰি নেযায়।

গতিকে এই বুনিয়াদ কথাবোৰ সকলোৰে বুজি পোৱা উচিত। পৱিত্ৰ মনযোগেৰে জলছাৰ প্ৰোগ্ৰাম শুনি তাৰ ওপৰত আমল কৰাৰ চেষ্টা কৰা উচিত। আহমদী উলামা সকলৰ ওপৰত আল্লাহ তায়লাৰ কৃপা যে তেওঁলোকে হজৰত মছিহ মাওউদ (আঃ) ৰ বাণীৰ পৰা লাভ আহৰণ কৰে। যদি আমি প্ৰকৃততে ইয়াৰ পৰা লাভ আহৰণ কৰো তেন্তে এটা নৱ জাগৰণৰ জন্ম দিব পাৰিম। আল্লাহ তায়লা জলছাত যোগদান কাৰী সকলক জলছাৰ উদ্দেশ্য সফল কৰাৰ তৌফিক দান কৰক। (আমিন)

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 28 July 2017**

**BOOK POST (PRINTED MATTER)**

**To**

---------------------------------------------------------------------------------
---------------------------------------------------------------------------------
---------------------------------------------------------------------------------
---------------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**